**আয়কৰ আয়ুক্ত, অসম**

**বনাম**

**নন্দলাল আগৰৱাল আৰু অন্যান্য**

১৯৬৫ চনৰ ১৭ নৱেম্বৰ ।

( ন্যায়াধীশ কে. চুব্বাৰাও, জে. চি. শ্বাহ আৰু এছ. এম. চিক্রী )

ভাৰতীয় আয়কৰ আইন (১৯২২ চনৰ ১১), ধাৰা ৪০- দুজন নাবালকৰ বাবে দুজন অভিভাৱক নিযুক্তি- হিন্দু অবিভক্ত পৰিয়াল বা ব্যক্তিগত, মূল্যায়ন।

দেৱানী আদালতৰ আদেশ অনুসৰি পিতৃ আৰু মাতৃৰ মৃত্যুৰ পিছত নাবালক পুত্ৰ দুজনৰ অভিভাৱক হিচাপে উত্তৰদাতা দুজনক নিযুক্তি দিয়া হৈছিল। মৃত্যুৰ পূৰ্বে পিতৃৰ ব্যৱসায়ৰ আয় ব্যক্তিগত ভাৱে মূল্যায়ন কৰা হৈছিল। যৌথ হিন্দু পৰিয়ালৰ নাবালকৰ হৈ অভিভাৱকে ৰিটাৰ্ণ দাখিল কৰা। আয়কৰ বিষয়াই আয়কৰ আইনৰ ধাৰা ৪১ৰ সৈতে পঢ়া ধাৰা ২৩(৩)ৰ অধীনত অভিভাৱক সকলৰ মূল্যায়ন কৰিছিল। পিছলৈ আদালতে অভিভাৱক সকলক প্ৰতিজন নাবালকৰ বাবে পৃথক পৃথক হিচাপ ৰাখিবলৈ আৰু জমা দিবলৈ অনুমতি দিলে। মূল্যায়নৰ বিৰুদ্ধে আপীল কৰি আপীল সহকাৰী আয়ুক্তই তেওঁলোকৰ পৃথক ব্যক্তিগত মূল্যায়নৰ নিৰ্দেশ দিয়ে, যিটো ন্যায়াধিকৰণে বাতিল কৰিছিল। সেই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে ৰাজহৰ বিৰুদ্ধে ৰায়দান কৰিছিল। এই আদালতত ৰাজহ বিভাগে দাবী কৰিছিল যে আইনখনৰ ৪০ নং ধাৰাত অভিভাৱক সকলে কৰ পৰিশোধ কৰিবলৈ বাধ্য আছিল, কিয়নো এইবোৰ নাবালকৰ ওপৰত আৰোপ কৰা হৈছিল, আৰু যদি নাবালক সকলৰ পূৰ্ণ বয়স

হ'লহেঁতেন তেন্তে তেওঁলোকক হিন্দু অবিভক্ত পৰিয়াল হিচাপে মূল্যায়ন কৰা হ'ব।

এই গোচৰৰ ক্ষেত্ৰত আইনৰ ৪০ নং ধাৰা প্ৰযোজ্য আছিল, আৰু ফলস্বৰূপে অভিভাৱক সকলৰ মূল্যায়ন কৰা উচিত আছিল ,নাবালক সকলক হিন্দু অবিভক্ত পৰিয়াল গঠন কৰা বুলি গণ্য কৰা হব বুলি ধৰা হৈছিল। [৬১৬ এইচ]

পিতৃৰ মৃত্যুৰ লগে লগে নাবালক পুত্ৰ সকলে যৌথ হিন্দু পৰিয়াল গঠন কৰে, আৰু ব্যৱসায়টো যৌথ পৰিয়ালৰ সম্পত্তি আছিল। সম্পত্তিৰ বিভাজন কাৰ্যকৰী কৰিবলৈ কিছু ইতিবাচক ব্যৱস্থা গ্ৰহণ নকৰালৈকে ই যৌথ পৰিয়ালৰ সম্পত্তি হৈ থাকিব। অভিভাৱক দুজনক নিযুক্তি দিয়া আদেশক সম্পত্তিৰ বিভাজনক প্ৰভাৱিত কৰা বুলি পঢ়া নহ'ব । অভিভাৱকত্ব আইনৰ অধীনত আদালতৰ যৌথ হিন্দু পৰিয়ালৰ সম্পত্তি বিভাজনৰ কোনো অধিকাৰ নাই বুলি কোৱাৰ বাহিৰেও আদালতে অভিভাৱক নিযুক্তি দিয়া আদেশত এনে তথ্যৰ যোগ্যতা অৰ্জন কৰিব পৰাকৈ কোনো শব্দ নাই। [৬১৬ ই]

আয়কৰ বিষয়াই তেওঁৰ আদেশ গৃহীত কৰাৰ পিছত আৰু অভিভাৱক সকলক পৃথক একাউণ্ট ৰখা আৰু জমা দিয়াৰ অনুমতি দিয়া আদালতৰ নিৰ্দেশ মূল্যায়ন বৰ্ষৰ পিছতেই অস্তিত্বলৈ আহিছিল । সেয়েহে বিবাদিত সংশ্লিষ্ট হিচাপ-নিকাচ বৰ্ষত প্ৰচলিত অৱস্থাৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ পৰা নাছিল। [৬১৬ ডি]

*শ্ৰীফুদ্দিন আলিমোহম্মদ বনাম আয়কৰ আয়ুক্ত, ২৫ আই. টি. আৰ. ২৩৭, ত উল্লেখ কৰা হৈছে।*

আয়কৰ আয়ুক্ত বনাম বলৱন্তৰায় জেঠালাল বৈদ্য, ৩৪ আই. টি. আৰ. ১৮৭, অনুমোদিত।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং: ৮২০/১৯৬৪।**

আয়কৰ প্ৰসংগ নং: ১/১৯৬১ ত অসম উচ্চ ন্যায়ালয়ৰ ১৯৬১ চনৰ ৪ জুলাই তাৰিখৰ আদেশৰ পৰা কৰা আপীল।

মহান্যায়ভিকৰ্তা এছ. ভি. গুপ্তে, এন. ডি. কাৰ্খানিছ, বি. আৰ. জি. কে. আচাৰ আৰু আৰ. এন. সাচথেই, আপীলকাৰীৰ হৈ।

এ. ভি. বিশ্বনাথ শাস্ত্ৰী আৰু ডি. এন. মুখাৰ্জী, উত্তৰদাতা সকলৰ বাবে ।

আদালতৰ ৰায়দান ন্যায়ধীশ চিক্ৰীৰ দ্বাৰা প্ৰদান কৰা হৈছিল।

এই আপীলত ভাৰতীয় আয়কৰ আইন, ১৯২২ৰ ধাৰা ৬৬এ (২)ৰ অধীনত অনুমোদিত প্ৰমাণ পত্ৰৰ পিছত, ইয়াৰ পিছত আইন বুলি কোৱা হ'ব, অসম উচ্চ ন্যায়ালয়ে আইনখনৰ ধাৰা ৬৬(২)ৰ সন্দৰ্ভত উল্লেখ কৰা ৰায়ৰ বিৰুদ্ধে নিৰ্দেশ দিয়া হৈছিল। আপীল ন্যায়াধিকৰণে উল্লেখ কৰা প্ৰশ্নটো আছিল " গোচৰৰ পৰিস্থিতিত ন্যায়াধিকৰণে অভিভাৱকৰ হাতত থকা নাবালক সকলৰ আয়ক হিন্দু অবিভক্ত পৰিয়ালৰ আয় হিচাপে মূল্যায়ন কৰাটো ন্যায্য আছিল নেকি।"

উদ্ভৱ হোৱা প্ৰাসংগিক তথ্য সমূহ হ'ল : ১৯৫০ চনৰ ডিচেম্বৰ মাহত শ্ৰী <u>কিছুবানলাল</u> আগৰৱাল্লাৰ ইচ্ছা-পত্ৰ অবিহনে মৃত্যু হয় আৰু তেওঁ তেওঁৰ বিধৱা পত্নী আৰু দুগৰাকী নাবালক সন্তান বসন্ত আৰু অশোকক এৰি যায়। মৃত্যুৰ পূৰ্বে তেওঁক তেজপুৰৰ শ্ৰী কৃষণ ৰাইচমিলৰ নামত চলি থকা ব্যৱসায়ৰ পৰা পোৱা আয়ৰ ওপৰত ব্যক্তিগতভাৱে মূল্যায়ন কৰা হৈছিল। তেওঁ মিতাক্ষৰা হিন্দু আইনৰ দ্বাৰা পৰিচালিত আছিল। ১৯৫২ চনত তেওঁৰ বিধৱা পত্নীৰ ও মৃত্যু হয়। তেওঁৰ বিধৱা পত্নীৰ মৃত্যুৰ পিছত শ্ৰী নন্দলাল আগৰৱালাই গৌহাটীৰ জিলা ন্যায়াধীশৰ আদালতত নাবালক দুগৰাকী অৰ্থাৎ বসন্ত আৰু অশোকৰ সম্পত্তিৰ অভিভাৱক হিচাপে নিযুক্তি দিয়াৰ বাবে আবেদন জনায়। জিলা ন্যায়াধীশে ১৯৫৩ চনৰ ১ জুন তাৰিখে দিয়া আদেশ অনুসৰি তেওঁক বসন্ত আৰু অশোকক

চোৰা-চিতা কৰা আৰু তেওঁলোকৰ সম্পত্তি পৰিচালনা কৰাৰ বাবে অস্থায়ীভাৱে আবেদন নিষ্পত্তি নোহোৱালৈকে অভিভাৱক হিচাপে নিযুক্তি দিয়ে, আৰু ফাইলটো নগাওঁৰ অধীনস্থ ন্যায়াধীশ, এল. এ. ডি, লৈ হস্তান্তৰ কৰে। ১৯৫৩ চনৰ ১৫ ডিচেম্বৰত অধীনস্থ ন্যায়াধীশে শ্ৰী দ্বাৰকা প্ৰসাদ আগৰৱালা আৰু শ্ৰীনন্দলাল আগৰৱালাক বসন্ত আৰু অশোকৰ ( আবেদনত দিয়া সূচী অনুসৰি ) ব্যক্তিগত সম্পত্তিৰ অভিভাৱক হিচাপে নিযুক্তি দিয়ে। যেতিয়ালৈকে নাবালক সকল প্ৰাপ্তবয়স্ক নহয়, অভিভাৱক সকলক প্ৰতি বছৰে মাৰ্চ আৰু ছেপ্টেম্বৰ মাহত অৰ্থাৎ প্ৰতি বছৰে ৩১ মাৰ্চ আৰু ৩০ ছেপ্টেম্বৰৰ ভিতৰত ছয় মাহৰ হিচাপ দিবলৈ নিৰ্দেশ দিয়া হৈছিল।

১৯৫১-৫২, ১৯৫২-৫৩ আৰু ১৯৫৩-৫৪ চনৰ মূল্যায়ন বৰ্ষত কি হৈছিল সেই কথা উল্লেখ কৰাটো প্ৰয়োজনীয় নহয় কাৰণ সেইবোৰৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন নহয়। এই সন্দৰ্ভত উল্লেখৰ বিষয় বস্তু হল নিৰ্ধাৰিত ১৯৫৪-৫৫ চনৰ মূল্যায়ন বৰ্ষৰ বাবে অভিভাৱক দুজনে যুটীয়া হিন্দু পৰিয়ালৰ মৰ্যাদাত ৰিটাৰ্ণ দাখিল কৰিছিল।

দেখা যায় যে ১৯৫৮ চনৰ ২৫ মাৰ্চত নগাওঁৰ উপ-বিচাৰকে তলত দিয়া ধৰণে আদেশ দিছিল :

" ১৯৫৭ চনৰ ৩০ ছেপ্টেম্বৰ লৈকে একাউণ্ট দাখিল কৰা হৈছে।" অভিভাৱক সকলে নাবালক দুজনৰ একাউণ্ট পৃথকে পৃথকে দেখুৱাবলৈ অনুমতি বিচাৰি আবেদন দাখিল কৰে।

বিদ্বান অধিৱক্তাৰ পৰামৰ্শ শুনা হৈছিল। অভিভাৱক সকলক ইয়াৰ দ্বাৰা প্ৰতিজন নাবালকৰ বাবে এতিয়াৰ পৰা পৃথক হিচাপ ৰখা আৰু জমাদিয়াৰ অনুমতি দিয়া হৈছে আৰু লগতে প্ৰতিজন নাবালকৰ লাভ আৰু লোকচানৰ হিচাপ আৰু পৃথক খৰচৰ হিচাপ ৰখাৰ অনুমতি দিয়া হৈছে।"

১৯৫৩-৫৪ চনৰ হিচাপ-নিকাচ বৰ্ষতো এই আদেশ কাৰ্যকৰী আছিল বুলি ধাৰণা কৰা হৈছিল যেন লাগে, কিন্তু এইটো স্পষ্ট যে এই আদেশ বৰ্তমান হিচাপ-নিকাচ বৰ্ষত প্ৰযোজ্য নহয়।

১৯৫৭ চনৰ ১৯ অক্টোবৰ তাৰিখে আয়কৰ বিষয়াই তেওঁৰ আদেশৰ দ্বাৰা আইনখনৰ ধাৰা ৪১ৰ সৈতে পঢ়া ধাৰা ২৩ (৩)ৰ অধীনত অভিভাৱক সকলৰ মূল্যায়ন কৰে। অভিভাৱক সকলে আপীল সহকাৰী আয়ুক্তৰ সন্মুখত আপীল দাখিল কৰে যে এই মূল্যায়ন আইনগতভাৱে সঠিক নহয়। ১৯৫৬ চনৰ ১৬ মে' তাৰিখে আপীল সহকাৰী আয়ুক্তই তেওঁৰ আদেশৰ যোগেদি মূল্যায়নটো বাতিল কৰি আপীলকাৰীৰ পৰা দুটা পৃথক ৰিটাৰ্ণ লাভ কৰাৰ পিছত আয়কৰ-বিষয়াক দুটা পৃথক ব্যক্তিগত মূল্যায়ন গঠন কৰি পুনৰ মূল্যায়ন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ এই সিদ্ধান্তত উপনীত হয় যে " নাবালক দুজনৰ বাবে আদালতে নিৰ্দেশনাৰ সৈতে পৃথক অভিভাৱক নিয়োগ কৰিছিল।" তেওঁলোকৰ একাউণ্টৰ বাবে পৃথকে পৃথকে হিচাপ ৰখা আৰু খৰচ স্পষ্টকৈ প্ৰতিষ্ঠা কৰে যে তেওঁলোকে হিন্দু অবিভক্ত পৰিয়াল গঠন কৰিব নোৱাৰে। " এই আদেশ গৃহীত হোৱাৰ সময়লৈকে নগাও ৰ উপ-ন্যায়াধীশে ১৯৫৮ চনৰ ২৫ মাৰ্চৰ আদেশ গৃহীত কৰিছিল আৰু এইটো স্পষ্ট যে আপীল সহকাৰী আয়ুক্তই ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছিল। "তেওঁ আৰু কয় যে "দুয়োজন নাবালকক ব্যক্তিগত আয়ৰ ক্ষেত্ৰত প্ৰযোজ্য হাৰত তেওঁলোকৰ ব্যক্তিগত লাভৰ অংশত অভিভাৱকৰ জৰিয়তে কৰ আৰোপ কৰিব লাগে।" তাৰ বাবে মুঠ আয়ৰ হিচাপ একে ধৰণে কৰিব লাগে কাৰণ এতিয়া সেইটোৱে কৰা হৈছে। অভিভাৱক সকলে দুয়োজন নাবালকৰ নামত দুটা পৃথক মূল্যায়ন কৰিব লাগে। ইয়াত মই উল্লেখ কৰিব পাৰো যে মৃত পিতৃকো ব্যক্তিগত মৰ্যাদাত মূল্যায়ন কৰা হৈছিল কিন্তু কোনো কাৰণতে হিন্দু অবিভক্ত পৰিয়াল হিচাপে নহয়।"

আয়কৰ বিষয়াই আয়কৰ আপীল ন্যায়াধিকৰণত আপীল দাখিল কৰে আৰু ন্যায়াধিকৰণে আপীল সহকাৰী আয়ুক্তৰ আদেশ বাতিল কৰে আৰু

মূল্যায়কৰ মৰ্যাদাক হিন্দু অবিভক্ত পৰিয়াল বুলি বৰ্ণনা কৰিব লাগিব বুলি পৰিৱৰ্তনৰ সৈতে আয়কৰ বিষয়াৰ আদেশ পুনৰুদ্ধাৰ কৰে। আপীল ন্যায়াধিকৰণে ৰায় দিছিল যে নাবালক দুজনৰ মৰ্যাদা কেৱল হিন্দু অবিভক্ত পৰিয়ালৰ, যেনে অভিভাৱকৰ কাৰ্য্যবিধিৰ পূৰ্বে আছিল, তেনেদৰে চলি থাকিব লাগিব, যেতিয়ালৈকে নাবালকজনে প্ৰাপ্ত বয়স্কতা লাভ নকৰে। অভিভাৱক সকলে ১৯৫৮ চনৰ ৮ ডিচেম্বৰ তাৰিখে আপীল ন্যায়াধিকৰণৰ সন্মুখত ৩৫ নং ধাৰাত অভিযোগ উত্থাপন কৰিছিল যে অভিভাৱক সকলৰ এই বিতৰ্ক যে হিন্দু আইন অনুসৰি, যাৰ দ্বাৰা নাবালক সকলক পৰিচালিত কৰা হয়, তেওঁলোকৰ অংশ সমূহ নিৰ্দিষ্ট, আৰু নিৰ্ধাৰিত আৰু ইয়াক কেৱল ধাৰা ৪১ৰ অধীনতহে মূল্যায়ন কৰিব পৰা যাব যি দৰে আৰু যিমানখিনিলৈকে মূল্যায়ন দুটা নাবালক শিশুৰ প্ৰতিটোৰ ওপৰত ব্যক্তিগত ভাৱে কৰিব পৰা যাব, যাৰ হৈ অভিভাৱক সকলে এনে আয় লাভ কৰিব পৰাকৈ বিজ্ঞাপন দিয়া হোৱা নাছিল। আপীল ন্যায়াধিকৰণে অৱশ্যে উত্তৰ দিছিল যে আবেদনখনত উল্লেখ কৰা বিতৰ্কটো ন্যায়াধিকৰণৰ আদেশত মোকাবিলা কৰিবলৈ বাদ দিয়া হৈছিল। আইন খনৰ ৬৬ (১) ধাৰাত গোচৰ এটা উল্লেখ কৰিবলৈ ন্যায়াধিকৰণে অস্বীকাৰ কৰিছিল যদিও অসম উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ পোৱাত গোচৰৰ বিবৃতি প্ৰস্তুত কৰি ওপৰত উল্লেখ কৰা প্ৰশ্নটো উত্থাপন কৰে। উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে অভিভাৱক সকলে নাবালক সকলৰ ব্যৱসায়ৰ পৰা পোৱা আয়ৰ এটা অংশ লাভ কৰিছিল। আদালতৰ নিৰ্দেশত নাবালক দুজনৰ নামত পৃথক পৃথক একাউণ্ট খুলিছিল য'ত নাবালক সকলৰ প্ৰতিজনৰ সৈতে জড়িত ৰচিদ আৰু খৰচ সমূহ পৃথকে পৃথকে সাল সলনি কৰা হৈছিল। এইদৰে অভিভাৱক সকলে নাবালক সকলৰ হৈ লাভ কৰা ধনৰাশিৰ বাবে পৃথকে পৃথকে কৰ দিব লগীয়া হৈছিল। এইটো ক'ব নোৱাৰি যে তেওঁলোকক যি কোনো যৌথ পৰিয়ালৰ অভিভাৱক হিচাপে নিযুক্তি দিয়া হৈছিল, আৰু এইদৰে তেওঁলোকে হিন্দু অবিভক্ত পৰিয়ালৰ হৈ তেওঁলোকে লাভ কৰা মুঠ আয়ৰ ওপৰত কৰ পৰিশোধ কৰিব লগীয়া হৈছিল। লাভালাভ দুই

নাবালৰ বাবে পৃথক পৃথক আছিল। আমাৰ মতে অভিভাৱক সকলে নাবালক সকলৰ প্ৰতিজনৰ পৃথক আয়ৰ ওপৰত কৰ দিব লাগিব।"

ৰাজহ বিভাগৰ হৈ হাজিৰ হোৱা বিদ্বান মহান্যায়ভিকৰ্তাই কৈছিল যে ধাৰা ৪০ৰ অধীনত অভিভাৱক সকলে একে ধৰণে আৰু একে পৰিমাণৰ কৰ পৰিশোধ কৰিব লগীয়া আছিল যি দৰে প্ৰাপ্ত বয়স্ক হ'লে নাবালক সকলৰ ওপৰত আৰোপ কৰা বা আদায় কৰা হলহেতেন। তেওঁ কয় যে নাবালক সকল যদি প্ৰাপ্ত বয়স্ক হ'লহেঁতেন তেন্তে তেওঁলোকক হিন্দু অবিভক্ত পৰিয়াল হিচাপে মূল্যায়ন কৰা হ'লহেঁতেন। উত্তৰদাতা সকলৰ হৈ বিদ্বান অধিবক্তা শ্ৰী শাস্ত্ৰীয়ে কয় যে নাবালক সকলক হিন্দু অবিভক্ত হিচাপে মূল্যায়ন কৰা নহ'ল হেঁতেন কিন্তু তেওঁলোকৰ পৃথক আয়ৰ ওপৰত ব্যক্তিগত ভাৱে মূল্যায়ন কৰা হ'লহেঁতেন। তেওঁ কয় যে অভিভাৱক আৰু ৱাৰ্ড আইনখনৰ ৭ নং ধাৰাত নাবালকৰ অবিভক্ত স্বাৰ্থৰ ক্ষেত্ৰত কোনো অভিভাৱক নিযুক্তি দিব নোৱাৰিলে হেঁতেন আৰু সেয়েহে আদালতে নিশ্চয় এই ভিত্তিত আগবাঢ়িছিল যে সম্পত্তি সমূহ নাবালক সকলৰ মাজত বিভক্ত কৰা হৈছিল। তেওঁ আৰু ১৯৫৮ চনৰ ২৫ মাৰ্চৰ আদেশলৈ আঙুলিয়াই দিছিল, যত নাবালক সকলৰ আগ্ৰহ পৃথক আছিল বুলি দেখুওৱা হৈছিল।

অভিভাৱকত্ব আইন অনুসৰি নাবালক সকলৰ অবিভক্ত স্বাৰ্থৰ ক্ষেত্ৰত অভিভাৱক নিযুক্তি দিব পৰা গ'ল হেঁতেন নেকি সেই প্ৰশ্নটো নিৰ্ণয় কৰাটো প্ৰয়োজনীয় নহয়। এই প্ৰস্তাৱৰ কৰ্তৃত্ব আছে যে যেতিয়া সকলো সহ-অংশীদাৰ নাবালক হয়, তেতিয়া গোটেই অংশীদাৰ সকলৰ বাবে অভিভাৱক নিযুক্তি দিব পাৰি। ( বিন্দাজী লুছুমান ত্ৰিপুতিকাৰ বনাম মথুৰাবাই) (১), আৰু মেয়নেৰ হিন্দু আইন ( দফা ২৩০, পৃষ্ঠা ২৮৫) চাওক। অভিভাৱকৰ নিযুক্তি বৈধ আছিল নে নাই সেই কথাটো আয়কৰ কৰ্তৃপক্ষৰ আগত উত্থাপন কৰা হোৱা নাই আৰু আমি নিযুক্তি বৈধ আছিল বুলি ভিত্তি কৰি আগবাঢ়িব লাগিব। ৰাজহ আৰু উত্তৰদাতা দুয়োটাই এই ধাৰণা অনুসৰি কাম কৰিছে। উত্থাপন কৰিব পৰা একমাত্ৰ প্ৰশ্নটো

হ'ল ১৯৫৩ চনৰ ১ জুন, ১৯৫৩ চনৰ ১৫ ডিচেম্বৰ আৰু ১৯৫৮ চনৰ ২৫ মাৰ্চ তাৰিখৰ আদেশৰ প্ৰভাৱ, যাৰ দ্বাৰা শাস্ত্ৰী ডাঙৰীয়াই নাবালক সকলৰ ব্যক্তিগত আয় আছিল বুলি দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। আমি ইতিমধ্যে উল্লেখ কৰা মতে, ১৯৫৮ চনৰ ২৫ মাৰ্চ তাৰিখৰ আদেশটো মূল্যায়ন বৰ্ষৰ পিছত আৰু আয়কৰ বিষয়াই নিজৰ আদেশ গৃহীত কৰাৰ পিছত অস্তিত্বলৈ আহিছিল। গতিকে ১৯৫৩-৫৪ চনৰ হিচাপ-নিকাচ বৰ্ষত প্ৰচলিত অৱস্থাৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ পৰিব নোৱাৰে।

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে শ্ৰী কিষানলাল হিন্দু আইনৰ মিতাক্ষৰা স্কুল দ্বাৰা পৰিচালিত হৈছিল আৰু আমাৰ বোধেৰে তেওঁৰ মৃত্যুৰ সময়ত তেওঁৰ বিধৱা, আৰু দুজন নাবালক পুত্ৰ বসন্ত আৰু অশোকে যৌথ হিন্দু পৰিয়াল গঠন কৰিছিল আৰু ব্যৱসায়টো যৌথ পৰিয়ালৰ সম্পত্তি আছিল। যেতিয়ালৈকে সম্পত্তিৰ বিভাজন হ'বলৈ কিছু ইতিবাচক ব্যৱস্থা গ্ৰহণ কৰা নহ'ব, তেতিয়ালৈকে ই যৌথ পৰিয়ালৰ সম্পত্তি হৈ থাকিব। ১৯৫৩ চনৰ ১৫ ডিচেম্বৰত নগাওঁৰ উপ-বিচাৰকে প্ৰদান কৰা আদেশক আমি সম্পত্তিৰ বিভাজনৰ প্ৰভাৱ পেলোৱা বুলি পঢ়িব নোৱাৰো। ইয়াৰ বাহিৰেও অভিভাৱকত্ব আইনৰ অধীনত আদালতৰ তাত থকা যৌথ হিন্দু পৰিয়ালৰ সম্পত্তি বিভাজন কৰাৰ কোনো অধিকাৰ নাই এনে তথ্যৰ প্ৰমাণ দিব পৰাকৈ কোনো তথ্যও নাই।

ছাইফুদিন আলিমোহম্মদ বনাম আয়কৰ আয়ুক্ত(2) আৰু আয়কৰ আয়ুক্ত বনাম বলৱন্তৰাই জেথালাল বৈদ্য(৩)ৰ প্ৰসংগত উল্লেখ কৰা হৈছিল। মুখ্য ন্যায়াধীশ চাংলাই প্ৰকাশ কৰা মতামতৰ সৈতে আমি একমত, পিছৰ গোচৰটোত তেওঁ পূৰ্বৰ গোচৰটোত কৰা কিছুমান পৰ্যবেক্ষণৰ ব্যাখ্যা আগবঢ়াইছিল। যদি কোনো অভিভাৱকে নাবালকৰ হৈ ব্যৱসায় কৰে আৰু তেওঁলোকৰ হৈ আয় লাভ কৰে, আইন খনৰ ৪০ নং ধাৰা প্ৰয়োগ কৰিব লাগিব।

আমাৰ মতে এই গোচৰৰ তথ্যৰ ক্ষেত্ৰত ৪০ নং ধাৰাটো স্পষ্টভাৱে প্ৰযোজ্য আৰু ফলস্বৰূপে অভিভাৱক সকলক মূল্যায়ন কৰিব লগীয়া হয়,

নাবালক সকলক হিন্দু অবিভক্ত পৰিয়াল গঠন কৰা বুলি গণ্য কৰা হয়। ফলত আপীল গ্ৰহণ কৰা হয় আৰু উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা প্ৰশ্নৰ উত্তৰ হ'ব বুলি দিয়া হয়। আপীলকাৰীয়ে ইয়াত আৰু উচ্চ ন্যায়ালয়ত খৰচ বহন কৰিব।

আপীলৰ অনুমতি দিয়া হৈছে।

Disclaimer – The translated judgement in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be use for any other purpose. For all practical and official purposes, the English version of the judgement shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।

অনুবাদক – বিতবী মহন্ত(অধিবক্তা)(BITABI MAHANTA)

Examined by.- P.J. Borah Senior Grade Translator